# বিপৰ্য্যয় ব্যৱস্থাপন অধিনিয়ম, ২০০৫
## (২০০৫ৰ সংখ্যা ৫৩)

[২৩ ডিচেম্বৰ, ২০০৫]

বিপৰ্য্যয়ীসকলৰ প্ৰভাৰী ব্যৱস্থাপনৰ বাবে আৰু তাৰ সৈতে সম্পৰ্কিত বা তাৰ আনুষঙ্গিক হোৱা বিষয়সমূহৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।

ভাৰত গণৰাজ্যৰ ষষ্ঠ পঞ্চাশৎবৰ্ষত সংসদৰ দ্বাৰা নিম্নানুসাৰে ইয়াক অধিনিয়মিত কৰা হওঁকঃ—

### অধ্যায়-I
### প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ।

১। (১) এই অধিনিয়মখন, বিপৰ্য্যয় ব্যৱস্থাপন অধিনিয়ম, ২০০৫ নামেৰে অভিহিত হ'ব।

(২) ই সমগ্ৰ ভাৰতবৰ্ষতে বিস্তৃত।

(৩) ই, এনে তাৰিখত বলৱৎ হ'ব যিদৰে কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰে; আৰু এই অধিয়নিয়মৰ বিভিন্ন উপৱন্ধাৱলীৰ বাবে আৰু বিভিন্ন ৰাজ্যৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰিব পাৰে, আৰু কোনো ৰাজ্যৰ সম্বন্ধত এই অধিনিয়মৰ কোনো উপৱন্ধৰ প্ৰাৰম্ভণত থকা কোনো প্ৰসঙ্গ নিৰ্দ্দেশ, সেই ৰাজ্যত সেই উপৱন্ধৰ প্ৰাৰম্ভণত থকা এটা প্ৰসংঙ্গ নিৰ্দ্দেশৰূপে অৰ্থ হ'ব।

পৰিভাষা।

২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহ'লে—

(ক) "প্ৰভাৱিত অঞ্চল" মানে এটা বিপৰ্য্যয়ৰ দ্বাৰা প্ৰভাৱিত এখন দেশৰ এটা অঞ্চল বা ভাগ;

(খ) "সামৰ্থ্য-নিৰ্মাণে" নিম্নলিখিতবোৰ অন্তৰ্ভুক্ত কৰে—

(I) বিদ্যমান উৎসসমূহ আৰু অৰ্জিত বা সৃষ্টি কৰিবলগীয়া উৎসসমূহৰ চিনাক্তকৰণ;

(II) উপ-খণ্ড (I) ৰ অধীনত চিনাক্ত হোৱা উৎসসমূহৰ অধিগ্ৰহণ আৰু সৃষ্টিকৰণ;

(III) কৰ্মীৰ সংগঠন আৰু প্ৰশিক্ষণ আৰু বিপৰ্য্যয়ীসকলৰ ফলদায়ক ব্যৱস্থাপনৰ বাবে এনে প্ৰশিক্ষণৰ সমন্বয়;

(গ) "কেন্দ্ৰীয় চৰকাৰ" মানে বিপৰ্য্যয় ব্যৱস্থাপনৰ প্ৰশাসনিক নিয়ন্ত্ৰণ থকা ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগ;

(ঘ) "বিপৰ্য্যয়" মানে প্ৰকৃতিৰ পৰা বা মানুহে কৰা কাৰণৰ দ্বাৰা বা দুৰ্ঘটনা বা অৱহেলাৰ দ্বাৰা উদ্ভৱ হোৱা কোনো অঞ্চলত সংঘটিত হোৱা দুৰ্যোগ অঞ্চলৰ, দুৰ্দশা বা বিধ্বংস যাৰ পৰিণামত জীৱনৰ পৰ্য্যাপ্ত হানি বা মানৱ যাতনা বা সম্পত্তিৰ হানি আৰু ধ্বংস বা পৰিবেশৰ হানি বা অৱমূল্যন হয়, আৰু যিটো প্ৰভাৱিত অঞ্চলৰ সম্প্ৰদায়ৰ সমকক্ষ হোৱা সামৰ্থ্যৰ বাহিৰৰ বিষয়ত এনে প্ৰকৃতিৰ বা বিশালতাৰ হয়;

(ঙ) "বিপৰ্য্যয় ব্যৱস্থাপন" মানে পৰিকল্পনা, সংগঠন, সমন্বয় আৰু কাৰ্য্যকৰী ব্যৱস্থাৰ নিৰন্তৰ আৰু অখণ্ড প্ৰক্ৰিয়া, যিবোৰ নিম্ন লিখিতসমূহৰ বাবে আৱশ্যকীয় বা সমীচীন হয়—

(I) কোনো বিপৰ্য্যয়ৰ বিপদ বা ভীতি প্ৰদৰ্শনৰ বাৰণ;

(II) কোনো বিপৰ্য্যয়ৰ বিপদাশংকা বা ইয়াৰ প্ৰাবল্য বা পৰিণামৰ উপশম বা হ্ৰাসকৰণ;

(III) সামৰ্থ্য-নিৰ্মাণ;

(IV) কোনো বিপৰ্য্যয়ৰ আলোচনা কৰিবলৈ প্ৰস্তুতি;

(V) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়লৈ দ্ৰুত সঁহাৰি দিয়া;

(VI) কোনো বিপৰ্য্যয়ৰ পৰিণামৰ প্ৰবলতা বা প্ৰসাৰতা নিৰ্ধাৰণ কৰা;

(VII) নিষ্ক্ৰমণ, উদ্ধাৰ আৰু সাহায্য;

(VIII) পুনৰ সংস্থাপন আৰু পুনৰ নিৰ্মাণ;

(চ) "জিলা প্ৰাধিকাৰী" মানে ধাৰা ২৫ৰ উপধাৰা (১)ৰ অধীনত গঠিত জিলা বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ;

(ছ) "জিলা পৰিকল্পনা" মানে ধাৰা ৩১ৰ অধীনত প্ৰস্তুতিত জিলা ব্যৱস্থাপনৰ বাবে কৰা পৰিকল্পনা;

(জ) "স্থানীয় প্ৰাধিকাৰে" পঞ্চায়তীৰাজ সংস্থা, নগৰপালিকা, এখন জিলা বোৰ্ড, সেনানিবাস বোৰ্ড, নগৰ পৰিকল্পনা প্ৰাধিকাৰ বা জিলা পৰিষদ বা এটা বিনিৰ্দ্দিষ্ট স্থানীয় এলেকাৰ ভিতৰত নাগৰিক সেৱাৰ অত্যাৱশ্যকীয় সেৱা প্ৰদানৰ বাবে বা নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনসহ, বিধিৰ দ্বাৰা তৎসময় বিনিয়োগ কৰা, যি নামেৰেই অভিহিত হওঁক কোনো আন নিকায় বা প্ৰাধিকাৰক অন্তৰ্ভুক্ত কৰে;

(ঝ) "উপশম" মানে এটা বিপৰ্য্যয় বা ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থাৰ বিপদাশংকা, ফল বা পৰিণামৰ হ্ৰাসকৰণত লক্ষ্য ৰখা ব্যৱস্থাসমূহ;

(ঞ) "ৰাষ্ট্ৰীয় প্ৰাধিকাৰ" মানে ধাৰা ৩ ৰ উপধাৰা (১)ৰ অধীনত স্থাপিত ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ;

(ট) "ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি' মানে ধাৰা ৮ৰ উপ-ধাৰা (১)ৰ অধীনত গঠিত ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ কাৰ্য্যনিৰ্বাহক সমিতি;

(ঠ) "ৰাষ্ট্ৰীয় পৰিকল্পনা" মানে ধাৰা ১১ৰ অধীনত সমগ্ৰ ৰাজ্যৰ বিপৰ্য্যয় ব্যৱস্থাপনাৰ বাবে প্ৰস্তুত কৰা পৰিকল্পনা;

(ড) "প্ৰস্তুতি" মানে ভীতি প্ৰদৰ্শিত বিপৰ্য্যয অৱস্থা বা বিপৰ্য্যয় আৰু তাৰ পৰিণাম আলোচনা কৰিবলৈ সাজু হোৱা অৱস্থা;

(ঢ) "বিহিত মানে" এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত;

(ণ) "পুনৰ নিৰ্মাণ" মানে এটা বিপৰ্য্যয়ৰ পিচত কোনো সম্পত্তিৰ নিৰ্মাণ বা প্ৰত্যাৱৰ্তন;

(ত) "উৎস"ই জনশক্তি, সেৱা, বিষ সামগ্ৰী আৰু উপৰন্ধাৱলীক অন্তৰ্ভুক্ত কৰে;

(থ) "ৰাজ্যিক প্ৰাধিকাৰ" মানে ধাৰা ১৪ৰ উপ-ধাৰা (১)ৰ অধীনত স্থাপিত ৰাজ্যিক বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ আৰু ই, সেই ধাৰাৰ অধীনত গঠিত সংঘ ৰাজ্যক্ষেত্ৰৰ বাবে বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰক অন্তৰ্ভুক্ত কৰে;

(দ) "ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি" মানে ধাৰা ২০ৰ উপ-ধাৰা (১)ৰ অধীনত গঠিত এখন ৰাজ্যিক প্ৰাধিকাৰীৰ কাৰ্য্যনিৰ্বাহক সমিতি;

(ধ) "ৰাজ্য চৰকাৰ" মানে বিপৰ্য্যয় ব্যৱস্থাপনৰ প্ৰশাসনিক নিয়ন্ত্ৰণ থকা ৰাজ্যৰ চৰকাৰী বিভাগ আৰু ই সংবিধানৰ অনুচ্ছেদ ২৩৯ৰ অধীনত ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্ত সংঘ ৰাজ্যক্ষেত্ৰৰ প্ৰশাসকক অন্তৰ্ভুক্ত কৰে;

(ন) "ৰাজ্যিক পৰিকল্পনা" মানে ধাৰা ২৩ৰ অধীনত সমগ্ৰ ৰাজ্যৰ বিপৰ্য্যয় ব্যৱস্থাপনাৰ বাবে প্ৰস্তুত কৰা পৰিকল্পনা।

## অধ্যায়-II
## ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ

ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰৰ স্থাপন।

৩। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত, এইমৰ্ম্মে নিয়ত কৰা দৰে এনে তাৰিখৰ পৰা প্ৰভাৰী হোৱাকৈ, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ নামেৰে অভিহিত এটা প্ৰাধিকাৰ স্থাপন কৰিব।

(২) ৰাষ্ট্ৰীয় প্ৰাধিকাৰ, কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা দৰে এজন অধ্যক্ষ আৰু ন জনৰ অনধিক এনে সংখ্যক আন সদস্যৰে গঠিত হ'ব আৰু যদিহে নিয়মাৱলীয়ে অন্যথা উপবন্ধ নকৰে, ৰাষ্ট্ৰীয় প্ৰাধিকাৰ, নিম্নলিখিতসমূহেৰে গঠন কৰিব ঃ—

(ক) ভাৰতৰ প্ৰধানমন্ত্ৰী, যিজন ৰাষ্ট্ৰীয় প্ৰাধিকাৰীৰ পদেন অধ্যক্ষ হ'ব;

(খ) ন জনৰ অনধিক আন সদস্যসমূহক ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ অধ্যক্ষৰ দ্বাৰা মনোনীত কৰা হ'ব।

(৩) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ অধ্যক্ষই, উপ-ধাৰা (২)ৰ খণ্ড (খ)ৰ অধীনত মনোনীত সদস্যসকলৰ এজনক ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ উপাধ্যক্ষ হ'বলৈ পদাভিহিত কৰিব পাৰে।

(৪) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ সদস্যসমূহৰ সেৱাৰ পদাৱধি আৰু চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে হ'ব।

ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ বৈঠক।

৪। (১) ৰাষ্ট্ৰীয় প্ৰাধিকাৰে যিদৰে আৰু যেতিয়া আৱশ্যক হয় আৰু এনে সময়ত আৰু স্থানত মিলিত হ'ব যিদৰে ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ অধ্যক্ষই উচিত বুলি ভাবে।

(২) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ অধ্যক্ষই, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ বৈঠকসমূহত সভাপতিত্ব কৰিব।

(৩) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ অধ্যক্ষজনে যদিহে কোনো কাৰণৰ বাবে ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ কোনো বৈঠকত উপস্থিত থাকিবলৈ অসমৰ্থ হয়, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ উপাধ্যক্ষই বৈঠকত সভাপতিত্ব কৰিব।

ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীৰ নিযুক্তি।

৫। কেন্দ্ৰীয় চৰকাৰে, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ কৃত্যসমূহ কাৰ্য্যান্বিত কৰিবলৈ ই আৱশ্যক বিবেচনা কৰা দৰে এনে পদাধিকাৰী, পৰামৰ্শদাতা আৰু কৰ্ম্মচাৰীবৃন্দৰ উপবন্ধ কৰিব।

ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ ক্ষমতা আৰু কৃত্য।

৬। (১) এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ, বিপৰ্য্যয়লৈ নিয়মিত আৰু প্ৰভাৰী সঁহাৰি সুনিশ্চিত কৰিবলৈ বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে আঁচনি, পৰিকল্পনা আৰু নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিবলৈ দায়িত্ব থাকিব।

(২) উপ-ধাৰা (১)ত অন্তৰ্বিষ্ট উপৱন্ধালীৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, ৰাষ্ট্ৰীয় প্ৰাধিকাৰীয়ে—

(ক) বিপৰ্য্যয় ব্যৱস্থাপনৰ ওপৰত পৰিকল্পনা প্ৰণয়ন কৰিব পাৰে;

## বিপৰ্য্যয় ব্যৱস্থাপন অধিনিয়ম, ২০০৫

(খ) ৰাষ্ট্ৰীয় পৰিকল্পনা অনুমোদন কৰিব পাৰে;

(গ) ৰাষ্ট্ৰীয় পৰিকল্পনা অনুসাৰে ভাৰত চৰকাৰৰ মন্ত্ৰালয় আৰু বিভাগসমূহৰ দ্বাৰা প্ৰস্তুত কৰা পৰিকল্পনাৰ অনুমোদন কৰিব পাৰে;

(ঘ) ৰাজ্যিক পৰিকল্পনাৰ আলেখ্যত ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব পাৰে;

(ঙ) বিপৰ্য্যয় প্ৰতিৰোধৰ বা তেওঁলোকৰ উন্নয়নমূলক পৰিকল্পনা আৰু যোজনাত ইয়াৰ পৰিণামৰ উপশমৰ বাবে ব্যৱস্থাৰ একীকৰণৰ প্ৰয়োজনাৰ্থে ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় বা বিভাগবোৰৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব পাৰে;

(চ) বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে আঁচনি আৰু পৰিকল্পনাৰ বলৱৎকৰণ আৰু প্ৰয়োগৰ সমন্বয় কৰিব পাৰে;

(ছ) উপশমৰ প্ৰয়োজনাৰ্থে নিধিৰ উপবন্ধ অনুমোদন কৰিব পাৰে ;

(জ) গুৰুতৰ বিপৰ্য্যয়ৰ দ্বাৰা প্ৰভাৱিত আন দেশসমূহলৈ এনে সমৰ্থন উপবন্ধ কৰিব পাৰে যেনেদৰে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা হয়;

(ঝ) বিপৰ্য্যয় প্ৰতিৰোধ কৰিবলৈ বা ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থাৰ বা বিপৰ্য্যয়ৰ আলোচনাৰ বাবে উপশম বা প্ৰস্তুতি আৰু সামৰ্থ্য নিৰ্মাণৰ এনে আন ব্যৱস্থা গ্ৰহণ কৰিব পাৰে যেনেদৰে ই আৱশ্যক বিবেচনা কৰে;

(ঞ) বিপৰ্য্যয় ব্যৱস্থাপনৰ ৰাষ্ট্ৰীয় সংস্থাৰ কাৰ্য্যকৰণৰ বাবে বিস্তৃত আঁচনি আৰু নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব পাৰে।

(৩) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ অধ্যক্ষৰ, জৰুৰী অৱস্থাত, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ ক্ষমতাৰ সকলো বা যিকোনোটোৰ প্ৰয়োগ কৰিবলৈ, ক্ষমতা থাকিব কিন্তু এনে ক্ষমতাৰ প্ৰয়োগ, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা পূৰ্বোত্তৰ অনুমোদন সাপেক্ষে হ'ব ।

ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা উপদেষ্টা সমিতিৰ গঠন।

৭। (১) ৰাষ্ট্ৰীয় প্ৰাধিকাৰে বিপৰ্য্যয় ব্যৱস্থাপনৰ বিভিন্ন বিষয়ত দক্ষ ব্যক্তি আৰু বিপৰ্য্যয় ব্যৱস্থাপনৰ বিভিন্ন বিষয়ৰ ওপৰত চুপাৰিছ কৰিবলৈ ৰাষ্ট্ৰীয়, ৰাজ্যিক বা জিলা স্তৰত বিপৰ্য্যয় ব্যৱস্থাপনৰ ব্যৱহাৰিক অভিজ্ঞতা থকা ব্যক্তিৰে গঠিত এখন উপদেষ্টা সমিতি গঠন কৰিব পাৰে।

(২) উপদেষ্টা সমিতিৰ সদস্যসমূহক, ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ পৰামৰ্শত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ভাত্তা আদায় দিয়া হ'ব।

ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ গঠন।

৮। (১) কেন্দ্ৰীয় চৰকাৰে, ধাৰা ৩ৰ উপ-ধাৰা (১)ৰ অধীনত অধিসূচনা জাৰিৰ পিছত শীঘ্ৰেই এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ সম্পাদনত ৰাষ্ট্ৰীয় প্ৰাধিকাৰক সহায়তা কৰিবলৈ এখন ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰিব।

(২) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিখন নিম্নলিখিত সদস্যসমূহেৰে গঠিত হ'ব, অৰ্থাৎ ঃ—

(ক) বিপৰ্য্যয় ব্যৱস্থাপনৰ প্ৰশাসনিক নিয়ন্ত্ৰণ থকা কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ দায়িত্বত থকা ভাৰত চৰকাৰৰ সচিবজন, পদেন অধ্যক্ষ হ'ব;

(খ) কৃষি, পাৰমাণৱিক শক্তি, প্ৰতিৰক্ষা, খোৱাপানী যোগান, পৰিৱেশন আৰু বন, বিত্ত (খৰচ) স্বাস্থ্য, শক্তি, গ্ৰামোন্নয়ন, বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞান, মহাকাশ, দূৰসংযোগ, পৌৰ উন্নয়ন, জল উৎসৰ প্ৰশাসনিক নিয়ন্ত্ৰণ থকা মন্ত্ৰালয় বা বিভাগবোৰত ভাৰত চৰকাৰৰ সচিবসকল আৰু একীকৃত

প্ৰতিৰক্ষা কৰ্ম্মচাৰীৰ প্ৰধান আৰু কৰ্ম্মচাৰী সমিতিৰ প্ৰধানজন পদেন হ'ব।

(৩) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ অধ্যক্ষই, ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ কোনো বৈঠকত অংশগ্ৰহণ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ কোনো আন পদাধিকাৰীক আমন্ত্ৰণ কৰিব পাৰে আৰু ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ পৰামৰ্শত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ক্ষমতাৱলী প্ৰয়োগ আৰু এনে কৃত্যৰ সম্পাদন কৰিব।

(৪) ইয়াৰ ক্ষমতাৱলীৰ প্ৰয়োগত আৰু ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনত ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহ সমিতিৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া এনেধৰণৰ হ'ব, যেনেদৰে কেন্দ্ৰীয় চৰকাৰে বিহিত কৰে।

উপ-সমিতিৰ গঠন।

৯। (১) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহ সমিতিয়ে যিদৰে আৰু যেতিয়া ই আৱশ্যক বিবেচনা কৰে, ইয়াৰ কৃত্যৰ দক্ষ নিৰ্বহনৰ বাবে এখন বা ততোধিক উপ-সমিতি গঠন কৰিব পাৰে।

(২) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহ সমিতিয়ে ইয়াৰ সদস্যসকলৰ মাজৰ পৰা উপ-ধাৰা (১)ত নিৰ্দ্দেশিত উপ-সমিতিৰ অধ্যক্ষক নিযুক্তি দিব।

(৩) কোনো উপ-সমিতিৰ এজন বিশেষজ্ঞৰূপে জড়িত কোনো ব্যক্তিক, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ভাত্তা আদায় দিয়া হ'ব।

ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ ক্ষমতা আৰু কৃত্য।

১০। (১) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহ সমিতিয়ে, ইয়াৰ কৃত্যৰ নিৰ্বহনত ৰাষ্ট্ৰীয় প্ৰাধিকাৰক সহায়তা কৰিব আৰু ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ আঁচনি আৰু পৰিকল্পনাৰ প্ৰয়োগৰ বাবে দায়িত্ব থাকিব আৰু দেশত বিপৰ্য্যয় ব্যৱস্থাপনৰ প্ৰয়োজনাৰ্থে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা জাৰি কৰা নিৰ্দ্দেশাৱলীৰ পালন সুনিশ্চিত কৰিব।

(২) উপ-ধাৰা (১)ত অন্তৰ্বিষ্ট উপবন্ধাৱলীৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিয়ে—

(ক) বিপৰ্য্যয় ব্যৱস্থাপনৰ সমন্বয় আৰু নিৰীক্ষণ নিকায় ৰূপে কাৰ্য্য কৰিব পাৰে;

(খ) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা অনুমোদন হ'বলগীয়া ৰাষ্ট্ৰীয় পৰিকল্পনা প্ৰস্তুত কৰিব পাৰে;

(গ) ৰাষ্ট্ৰীয় আঁচনিৰ প্ৰয়োগৰ সমন্বয় আৰু নিৰীক্ষণ কৰিব পাৰে;

(ঘ) ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় বা বিভাগ আৰু ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাৰ প্ৰস্তুতিৰ বাবে নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব পাৰে;

(ঙ) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীৰ অনুসাৰে তেওঁলোকৰ বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাৰ প্ৰস্তুতিৰ বাবে ৰাজ্য চৰকাৰ আৰু ৰাজ্যিক প্ৰাধিকাৰৰ আৱশ্যকীয় কাৰিকৰী সহায়তা উপবন্ধ কৰিব পাৰে;

(চ) ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ দ্বাৰা প্ৰস্তুত কৰা ৰাষ্ট্ৰীয় পৰিকল্পনা আৰু পৰিকল্পনাসমূহৰ প্ৰয়োগ নিৰীক্ষণ কৰিব পাৰে;

(ছ) বিপৰ্য্যয় নিবাৰণৰ বাবে ব্যৱস্থাসমূহৰ একীকৰণৰ বাবে ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীৰ প্ৰয়োগ আৰু সেইবোৰৰ উন্নয়নত পৰিকল্পনা আৰু আঁচনিত মন্ত্ৰালয় বা বিভাগৰ দ্বাৰা কৰা প্ৰশমন নিৰীক্ষণ কৰিব পাৰে;

(জ) চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় বা বিভাগ আৰু এজেঞ্চিসমূহৰ দ্বাৰা ল'বলগীয়া ব্যৱস্থাৰ প্ৰশমন বা প্ৰস্তুতিকৰণৰ সম্বন্ধত নিৰীক্ষণ সমন্বয় কৰিব আৰু নিৰ্দ্দেশ দিব পাৰে;

(ঝ) কোনো ভীতি প্ৰদৰ্শন কৰা বিপৰ্যয় অৱস্থা বা বিপৰ্যয়ৰ সহাঁৰিৰ প্ৰয়োজনাৰ্থে সকলো চৰকাৰী স্তৰত প্ৰস্তুতিৰ মূল্যাংকণ কৰিব পাৰে আৰু এনে প্ৰস্তুতিৰ বৰ্দ্ধনৰ বাবে, য'ত আৱশ্যক হয়, নিৰ্দেশ দিব পাৰে;

(ঞ) পদাধিকাৰী, কৰ্ম্মচাৰী আৰু ঐচ্ছিক উদ্ধাৰ কৰ্ম্মীৰ বিভিন্ন স্তৰত বিপৰ্যয় ব্যৱস্থাপনৰ বাবে বিশিষ্ট প্ৰশিক্ষণ কাৰ্য্যসূচীৰ পৰিকল্পনা আৰু সমন্বয় কৰিব পাৰে;

(ট) কোনো ভীতি প্ৰদৰ্শন কৰা বিপৰ্যয় অৱস্থা বা বিপৰ্যয়ৰ ক্ষেত্ৰত ইয়াৰ উপশমৰ বাবে সমন্বিত কৰিব পাৰে;

(ঠ) কোনো ভীতি প্ৰদৰ্শন কৰা বিপৰ্যয় অৱস্থা বা বিপৰ্য্যয়ৰ উপশমত তেওঁলোকৰ দ্বাৰা ল'বলগীয়া ব্যৱস্থাবোৰৰ সম্বন্ধত ভাৰত চৰকাৰৰ সংশ্লিষ্ট মন্ত্ৰালয় বা বিভাগ, ৰাজ্য চৰকাৰ আৰু ৰাজ্যিক প্ৰাধিকাৰৰ বাবে নিৰ্দেশাৱলী প্ৰণীত কৰিব পাৰে, বা নিৰ্দ্দেশনা দিব পাৰে;

(ড) ৰাষ্ট্ৰীয় প্ৰাধিকাৰ বা ৰাজ্যিক প্ৰাধিকাৰলৈ এনে ব্যক্তি বা বাস্তৱিক সম্পদা সহজলভ্য কৰিবলৈ চৰকাৰৰ কোনো বিভাগ বা এজেন্সিক অপেক্ষা কৰিব পাৰে, যিদৰে জৰুৰীকালীন সহাঁৰিৰ প্ৰয়োজনাৰ্থে উদ্ধাৰ আৰু সাহায্যৰ সহজলভ্য হয়;

(ঢ) বিপৰ্যয় ব্যৱস্থাপনত নিয়োজিত ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগ, ৰাজ্যিক প্ৰাধিকাৰ পৰিনিয়ত নিকায়, আন চৰকাৰী বা বেচৰকাৰী সংগঠন বা অন্যবোৰৰ কাৰ্য্যকলাপত উপদেশ , সহায়তা আৰু সমন্বিত কৰিব পাৰে;

(ণ) এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহ কাৰ্য্যান্বিত কৰাৰ বাবে ৰাজ্যিক প্ৰাধিকাৰ আৰু জিলা প্ৰাধিকাৰক আৱশ্যকীয় কাৰিকৰী সহায়তা উপৰন্ধ কৰিব বা উপদেশ দিব পাৰে;

(ত) বিপৰ্যয় ব্যৱস্থাপন সম্বন্ধত সাধাৰণ শিক্ষা আৰু সতৰ্কতাৰ উন্নতি কৰিব পাৰে; আৰু

(থ) এনে আন কৃত্য সম্পাদন কৰিব পাৰে যিদৰে ৰাষ্ট্ৰীয় প্ৰাধিকাৰে এইটো সম্পাদন কৰিবলৈ অপেক্ষা কৰে।

ৰাষ্ট্ৰীয় পৰিকল্পনা। ১১। (১) সমগ্ৰ দেশৰ বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে ৰাষ্ট্ৰীয় পৰিকল্পনা নামেৰে এটা পৰিকল্পনা তৈয়াৰ কৰা হ'ব।

(২) ৰাষ্ট্ৰীয় পৰিকল্পনাটো, ৰাষ্ট্ৰীয় আঁচনিক অৱধানত ৰাখি ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ দ্বাৰা, আৰু ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা অনুমোদন কৰিবলগীয়া বিপৰ্যয় ব্যৱস্থাপনৰ ক্ষেত্ৰত, ৰাজ্য চৰকাৰ আৰু বিশিষ্ট নিকায় বা সংগঠনবোৰৰ পৰামৰ্শত, প্ৰস্তুত কৰা হ'ব।

(৩) ৰাষ্ট্ৰীয় পৰিকল্পনাই নিম্নলিখিতসমূহ অন্তৰ্ভুক্ত কৰিব—

(ক) বিপৰ্যয় প্ৰতিৰোধ বা সেইবোৰৰ প্ৰভাৱৰ প্ৰশমণৰ বাবে ল'বলগীয়া ব্যৱস্থা;

(খ) উন্নয়নমূলক পৰিকল্পনাত প্ৰশমণ ব্যৱস্থাৰ একীকৰণৰ বাবে ল'বলগীয়া ব্যৱস্থা;

(গ) কোনো ভীতি প্ৰদৰ্শন কৰা বিপৰ্যয় অৱস্থা বা বিপৰ্য্যয়ত প্ৰভাৱীৰূপে সঁহাৰি জনাবলৈ প্ৰস্তুতি আৰু সামৰ্থ্য নিৰ্মাণৰ বাবে ল'বলগীয়া ব্যৱস্থা;

(ঘ) খণ্ড (ক) (খ) আৰু (গ)'ত বিনিৰ্দ্দিষ্ট ব্যৱস্থাৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় বা বিভাগৰ ভূমিকা আৰু দায়িত্ব।

(৪) ৰাষ্ট্ৰীয় পৰিকল্পনা বছৰি পুনৰীক্ষণ আৰু অদ্যাৱধি কৰা হ'ব।

(৫) ৰাষ্ট্ৰীয় পৰিকল্পনাৰ অধীনত কাৰ্য্যান্বিত কৰিবলগীয়া ব্যৱস্থাসমূহৰ বিত্ত বহনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা, সমুচিত উপবন্ধাৱলী প্ৰণয়ন কৰা হ'ব।

(৬) উপধাৰা (২) আৰু (৪)ত নিৰ্দ্দেশিত ৰাষ্ট্ৰীয় পৰিকল্পনাৰ প্ৰতিলিপিসমূহ ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগসমূহলৈ সহজলভ্য কৰা হ'ব আৰু এনে মন্ত্ৰালয় বা বিভাগবোৰে ৰাষ্ট্ৰীয় পৰিকল্পনা অনুসৰি তেওঁলোকৰ নিজা পৰিকল্পনা তৈয়াৰ কৰিব।

সাহায্যৰ ন্যূনতম মানকৰ বাবে নিৰ্দ্দেশাৱলী।

১২। ৰাষ্ট্ৰীয় প্ৰাধিকাৰে বিপৰ্য্যয়ত ভোগা ব্যক্তিক উপবন্ধিত কৰিবলগীয়া সাহায্যৰ ন্যূনতম মানকৰ বাবে নিৰ্দ্দেশাৱলীৰ চুপাৰিছ কৰিব, যিয়ে নিম্নলিখিতসমূহ অন্তৰ্ভুক্ত কৰিব—

(I) আশ্ৰয়, খাদ্য, খোৱাপানী, চিকিৎসা নিৰাপত্তা আৰু স্বাস্থ্যৰক্ষা সম্বন্ধত সাহায্য শিবিৰত উপবন্ধিত কৰিবলগীয়া ন্যূনতম অপেক্ষাকৰণবোৰ;

(II) বিধৱা আৰু অনাথৰ বাবে কৰিবলগীয়া বিশেষ উপবন্ধাৱলী;

(III) জীৱন হানিৰ বিষয়ে এককালীন সহায়তা আৰু গৃহৰ ক্ষতি আৰু জীৱিকাৰ সাধনৰ প্ৰত্যাৱৰ্ত্তনৰ বাবে কৰা সহায়তা;

(IV) আৱশ্যক হোৱাৰ দৰে এনে আন সাহায্য।

ঋণৰ প্ৰত্যাৰ্পণ ইত্যাদিত সাহায্য।

১৩। ৰাষ্ট্ৰীয় প্ৰাধিকাৰে, জটিল বিপৰ্য্যয়ৰ ক্ষেত্ৰত ঋণৰ প্ৰত্যাপৰ্ণত সাহায্য বা সমুচিত হোৱা দৰে এনে ৰেহাইৰ অৱধিত বিপৰ্য্যয়ৰ দ্বাৰা ক্ষতিগ্ৰস্ত ব্যক্তিক নতুন ঋণৰ মঞ্জুৰীৰ বাবে, চুপাৰিছ কৰিব পাৰে।

## অধ্যায়-III
## ৰাজ্যিক বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ

ৰাজ্যিক বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰৰ স্থাপন।

১৪।(১) প্ৰত্যেক ৰাজ্য চৰকাৰে, ধাৰা ৩ৰ উপ-ধাৰা (১)ৰ অধীনত অধিসূচনা জাৰি কৰাৰ পিচত লগে লগেই, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে নামেৰে ৰাজ্যৰ বা এটা ৰাজ্যিক বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ স্থাপন কৰিব।

(২) ৰাজ্যিক প্ৰাধিকাৰ, ৰাজ্য চৰকাৰে বিহিত কৰা দৰে এজন অধ্যক্ষ বা ন জনৰ অনধিক এনে সংখ্যক সদস্যৰে গঠিত হ'ব আৰু নিয়মাৱলীয়ে অন্যথা উপবন্ধ নকৰিলে, ৰাজ্যিক প্ৰাধিকাৰ নিম্নলিখিত সদস্যৰ দ্বাৰা গঠিত হ'ব ঃ—

(ক) ৰাজ্যৰ মুখ্যমন্ত্ৰী, যিজন পদেন অধ্যক্ষ হ'ব;

(খ) নজনৰ অনধিক আন সদস্যসমূহক ৰাজ্যিক প্ৰাধিকাৰৰ অধ্যক্ষৰ দ্বাৰা মনোনীত কৰা হ'ব;

(গ) ৰাজ্যিক কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ অধ্যক্ষ, পদেন সদস্য হব ;

(৩) ৰাজ্যিক প্ৰাধিকাৰৰ অধ্যক্ষই, উপ-ধাৰা (২)ৰ খণ্ড (খ)ৰ অধীনত মনোনীত সদস্যসকলৰ এজনক ৰাজ্যিক প্ৰাধিকাৰীৰ উপাধ্যক্ষ হ'বলৈ পদাভিহিত কৰিব পাৰে।

(৪) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ অধ্যক্ষ, ৰাজ্যিক প্ৰাধিকাৰৰ মুখ্য কাৰ্য্যনিৰ্বাহক পদাধিকাৰী, পদেন সদস্য হ'বঃ

পৰন্তু দিল্লী সংঘ ৰাজ্যক্ষেত্ৰৰ ব্যতিৰেকে, বিধান মণ্ডল থকা এখন সংঘ ৰাজ্যক্ষেত্ৰৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী, এই ধাৰাৰ অধীনত স্থাপন কৰা প্ৰাধিকাৰৰ অধ্যক্ষ হ'ব আৰু আন সংঘ ৰাজ্যৰ ক্ষেত্ৰত, উপ-ৰাজ্যপাল বা প্ৰশাসক সেই প্ৰাধিকাৰৰ অধ্যক্ষ হ'ব ঃ

উপৰন্তু দিল্লী সংঘ ৰাজ্যক্ষেত্ৰৰ উপ-ৰাজ্যপালজন অধ্যক্ষ হ'ব আৰু তাৰ মুখ্যমন্ত্ৰীজন ৰাজ্যিক

প্ৰাধিকাৰৰ উপাধ্যক্ষ হ'ব।

(৫) ৰাজ্যিক প্ৰাধিকাৰৰ সদস্যৰ সেৱাৰ পদাৱধি আৰু চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে হ'ব।

ৰাজ্যিক প্ৰাধিকাৰৰ বৈঠক।

১৫। (১) ৰাজ্যিক প্ৰাধিকাৰৰ যেতিয়া আৱশ্যক হয় আৰু এনে সময়ত আৰু স্থানত মিলিত হ'ব যেনেদৰে ৰাজ্যিক প্ৰাধিকাৰৰ অধ্যক্ষই উচিত বুলি ভাবে।

(২) ৰাজ্যিক প্ৰাধিকাৰৰ অধ্যক্ষই, ৰাজ্যিক প্ৰাধিকাৰৰ বৈঠকত সভাপতিত্ব কৰিব।

(৩) যদিহে কোনো কাৰণৰ বাবে ৰাজ্যিক প্ৰাধিকাৰৰ অধ্যক্ষই, ৰাজ্যিক প্ৰাধিকাৰৰ বৈঠকত উপস্থিত থাকিবলৈ অসমৰ্থ হয়, ৰাজ্যিক প্ৰাধিকাৰৰ উপাধ্যক্ষই, বৈঠকত সভাপতিত্ব কৰিব।

ৰাজ্যিক প্ৰাধিকাৰৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ নিযুক্তি।

১৬। ৰাজ্য চৰকাৰে, ৰাজ্যিক প্ৰাধিকাৰৰ কৃত্যসমূহ কাৰ্য্যান্বিত কৰিবলৈ ই আৱশ্যক বিবেচনা কৰা দৰে এনে পদাধিকাৰী, পৰামৰ্শদাতা আৰু কৰ্মচাৰীবৃন্দৰ উপবন্ধ কৰিব।

ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা উপদেষ্টা সমিতিৰ গঠন।

১৭। (১) ৰাজ্যিক প্ৰাধিকাৰে, যেতিয়া ই আৱশ্যক বিবেচনা কৰে, বিপৰ্য্যয় ব্যৱস্থাপনৰ বিভিন্ন বিষয়ৰ ওপৰত চুপাৰিছ কৰিবলৈ, বিপৰ্য্যয় ব্যৱস্থাপনৰ ক্ষেত্ৰত দক্ষ ব্যক্তি আৰু বিপৰ্য্যয় ব্যৱস্থাপনত ব্যৱহাৰিক অভিজ্ঞতা থকা ব্যক্তিৰে এখন উপদেষ্টা সমিতি গঠন কৰিব পাৰে।

(২) উপদেষ্টা সমিতিৰ সদস্যক, ৰাজ্য চৰকাৰে বিহিত কৰা দৰে এনে ভাত্তা দিয়া হ'ব।

ৰাজ্যিক প্ৰাধিকাৰৰ ক্ষমতা আৰু কৃত্য।

১৮। (১) এই অধিনিয়মৰ উপৰন্ধাৱলীৰ সাপেক্ষে, এটা ৰাজ্যিক প্ৰাধিকাৰৰ, ৰাজ্যত বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে আঁচনি আৰু পৰিকল্পনা প্ৰণয়ন কৰাৰ বাবে দায়িত্ব থাকিব।

(২) উপ-ধাৰা (১)ত অন্তৰ্বিষ্ট উপৰন্ধাৱলীৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ ৰাজ্যিক প্ৰাধিকাৰে—

(ক) ৰাজ্যিক বিপৰ্য্যয় ব্যৱস্থাপন আঁচনি প্ৰণয়ন কৰিব পাৰে;

(খ) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দেশাৱলীৰ অনুসাৰে ৰাজ্যিক আঁচনি অনুমোদন কৰিব পাৰে;

(গ) ৰাজ্যৰ চৰকাৰৰ বিভাগৰ দ্বাৰা প্ৰস্তুত কৰা বিপৰ্য্যয় ব্যৱস্থাপন আঁচনি অনুমোদন কৰিব পাৰে;

(ঘ) বিপৰ্য্যয় প্ৰতিৰোধ আৰু সেইবোৰৰ উন্নয়নমূলক পৰিকল্পনা আৰু যোজনাত প্ৰশমন কৰাৰ বাবে ব্যৱস্থাৰ একীকৰণৰ প্ৰয়োজনাৰ্থে ৰাজ্যৰ চৰকাৰৰ বিভাগসমূহৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব পাৰে;

(ঙ) ৰাজ্যিক পৰিকল্পনাৰ প্ৰয়োগ সমন্বিত কৰিব পাৰে;

(চ) প্ৰশমন আৰু প্ৰস্তুতি ব্যৱস্থাৰ বাবে নিধিৰ উপবন্ধৰ চুপাৰিছ কৰিব পাৰে;

(ছ) ৰাজ্যৰ বিভিন্ন বিভাগৰ উন্নয়নৰ পৰিকল্পনাৰ পুনৰীক্ষণ কৰিব পাৰে আৰু প্ৰতিৰোধ আৰু প্ৰশমন ব্যৱস্থাবোৰ তাত যে একীকৃত হয় তাৰ সুনিশ্চিত কৰিব পাৰে;

(জ) ৰাজ্যৰ চৰকাৰৰ বিভাগৰ দ্বাৰা প্ৰশমন, সামৰ্থ্য নিৰ্মাণ আৰু প্ৰস্তুতিৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ পুনৰীক্ষণ কৰিব পাৰে আৰু এনে নিৰ্দ্দেশাৱলী জাৰি কৰিব পাৰে, যেনেদৰে আৱশ্যক হয়।

(৩) ৰাজ্যিক প্ৰাধিকাৰৰ অধ্যক্ষৰ, জৰুৰী অৱস্থাত, ৰাজ্যিক প্ৰাধিকাৰৰ ক্ষমতাৰ সকলো বা কোনোটোক কাৰ্য্যান্বিত কৰিবলৈ ক্ষমতা থাকিব কিন্তু এনে ক্ষমতাৰ প্ৰয়োগ ৰাজ্যিক প্ৰাধিকাৰৰ পূৰ্বোত্তৰ অনুমোদন সাপেক্ষে হ'ব;

ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা সাহায্যৰ ন্যূনতম মানকৰ বাবে নিৰ্দ্দেশাৱলী।

১৯। ৰাজ্যৰ প্ৰাধিকাৰে, ৰাজ্যত বিপৰ্য্যয়ৰ দ্বাৰা ক্ষতিগ্ৰস্ত ব্যক্তিলৈ দিয়া সাহায্যৰ মানক উপবন্ধ কৰাৰ বাবে বিশদ নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব ঃ

## বিপৰ্য্যয় ব্যৱস্থাপন অধিনিয়ম, ২০০৫

পৰন্তু এনে মানক, কোনো ক্ষেত্ৰতে, এই সম্বন্ধত ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীত ন্যূনতম মানৰ কম নহ'ব।

ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি গঠন।

২০। (১) ৰাজ্য চৰকাৰে ধাৰা ১৪ ৰ উপ-ধাৰা (১)ৰ অধীনত অধিসূচনা জাৰি কৰাৰ পিছত শীঘ্ৰে, ইয়াৰ কৃত্যসমূহৰ সম্পাদনত ৰাজ্যিক প্ৰাধিকাৰক সহায়তা কৰিবলৈ আৰু ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীৰ অনুসৰণত কাৰ্য্য সমন্বিত কৰিবলৈ এখন ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰিব আৰু এই অধিনিয়মৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা জাৰি কৰা নিৰ্দ্দেশনাৰ অনুপালন সুনিশ্চিত কৰিব।

(২) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি নিম্নলিখিত সদস্যসমূহেৰে গঠিত হ'ব, অৰ্থাৎ—

(ক) ৰাজ্য চৰকাৰৰ মুখ্য সচিব, যিজন পদেন অধ্যক্ষ হ'ব;

(খ) ৰাজ্য চৰকাৰৰ এনে বিভাগৰ চাৰিজন সচিব, যেনেদৰে ৰাজ্য চৰকাৰে যোগ্য বুলি বিবেচনা কৰে, পদেন সদস্য হ'ব।

(৩) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ অধ্যক্ষই, ৰাজ্য চৰকাৰে বিহিত কৰা দৰে এনে ক্ষমতাৱলী প্ৰয়োগ আৰু এনে কৃত্য সম্পাদন কৰিব আৰু ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা তেওঁলৈ আৰোপিত কৰা দৰে এনে আন ক্ষমতা আৰু কৃত্য প্ৰয়োগ সম্পাদন কৰিব।

(৪) ইয়াৰ ক্ষমতা প্ৰয়োগত আৰু ইয়াৰ কৃত্য নিৰ্বহনত ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া এনে হ'ব যিদৰে ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা হয়।

ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ দ্বাৰা উপ-সমিতিৰ গঠন।

২১। (১) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিয়ে, যেতিয়া ই আৱশ্যক বিবেচনা কৰে, ইয়াৰ কৃত্যৰ দক্ষ নিৰ্বহনৰ বাবে এক বা ততোধিক উপ-সমিতি গঠন কৰিব পাৰে।

(২) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিয়ে ইয়াৰ সদস্যসমূহৰ মাজৰ পৰা উপ-ধাৰা (১)ত নিৰ্দ্দেশিত উপ-সমিতিৰ অধ্যক্ষক নিযুক্তি দিব।

(৩) কোনো উপ-সমিতিত এজন বিশিষ্ট ব্যক্তিৰূপে জড়িত থকা কোনো ব্যক্তিক ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ভাত্তা দিয়া হ'ব।

ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ কৃত্য।

২২। (১) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ ৰাষ্ট্ৰীয় পৰিকল্পনা আৰু ৰাজ্যিক পৰিকল্পনা প্ৰয়োগৰ বাবে দায়িত্ব থাকিব আৰু ৰাজ্যত বিপৰ্য্যয় ব্যৱস্থাপনৰ সমন্বয় আৰু নিৰীক্ষণ নিকায়ৰূপে কাৰ্য্য কৰিব।

(২) উপ-ধাৰা (১)ৰ উপৰন্ধাৱলীৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিয়ে—

(ক) ৰাষ্ট্ৰীয় আঁচনি, ৰাষ্ট্ৰীয় পৰিকল্পনা আৰু ৰাজ্যিক পৰিকল্পনাৰ প্ৰয়োগ সমন্বিত আৰু নিৰীক্ষণ কৰিব পাৰে;

(খ) ৰাজ্যৰ বিভিন্ন ভাগত বিপৰ্য্যয়ৰ বিভিন্ন প্ৰকাৰৰ ভেদ্যতা পৰীক্ষা কৰিব পাৰে আৰু সেইবোৰৰ প্ৰতিৰোধ বা প্ৰশমনৰ বাবে ল'বলগীয়া ব্যৱস্থাসমূহ বিনিৰ্দ্দিষ্ট কৰিব পাৰে;

(গ) ৰাজ্য চৰকাৰৰ বিভাগ আৰু জিলা প্ৰাধিকাৰৰ দ্বাৰা বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাৰ প্ৰস্তুতিৰ বাবে নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব পাৰে;

(ঘ) ৰাজ্য চৰকাৰৰ বিভাগ আৰু জিলা প্ৰাধিকাৰৰ দ্বাৰা প্ৰস্তুত কৰা বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাৰ প্ৰয়োগৰ নিৰীক্ষণ কৰিব পাৰে;

(ঙ) বিপৰ্য্যয় প্ৰতিৰোধৰ ব্যৱস্থাৰ একীকৰণৰ বাবে ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীৰ প্ৰয়োগ আৰু সেইবোৰৰ উন্নয়নমূলক পৰিকল্পনা আৰু যোজনাত বিভাগৰ কৰা প্ৰশমন নিৰীক্ষণ কৰিব পাৰে;

(চ) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্যয়ক সঁহাৰি দিবলৈ সকলো চৰকাৰী বা বেচৰকাৰী স্তৰত প্ৰস্তুতিৰ মূল্যাংকন কৰিব পাৰে আৰু এনে প্ৰস্তুতিৰবৰ্দ্ধনৰ বাবে, য'ত আৱশ্যক হয়, নিৰ্দ্দেশ দিব পাৰে;

(ছ) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ ক্ষেত্ৰত সমন্বিত সঁহাৰিৰ ব্যৱস্থা কৰিব পাৰে;

(জ) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ সঁহাৰিত ল'বলগীয়া ব্যৱস্থাৰ লক্ষ্য ৰাখি ৰাজ্যৰ চৰকাৰৰ কোনো বিভাগ বা ৰাজ্যৰ কোনো আন প্ৰাধিকাৰ বা নিকায়ক নিৰ্দ্দেশ দিব পাৰে;

(ঝ) বিপৰ্য্যয় প্ৰকাৰসমূহৰ সম্বন্ধত সাধাৰণ শিক্ষা, সতৰ্কতা আৰু সাম্প্ৰদায়িক প্ৰশিক্ষণ উন্নীত কৰিব পাৰে য'লৈ ৰাজ্যৰ বিভিন্ন ভাগ বিপদসঙ্কুল হৈ থাকে আৰু বিপৰ্য্যয় প্ৰতিৰোধ কৰিবলৈ এনে সম্প্ৰদায়ৰ দ্বাৰা ল'বলগীয়া ব্যৱস্থাই এনে বিপৰ্য্যয় প্ৰশমন কৰিব পাৰে আৰু সঁহাৰি দিব পাৰে;

(ঞ) বিপৰ্য্যয় ব্যৱস্থাপনত নিয়োজিত ৰাজ্যৰ চৰকাৰৰ বিভাগ, জিলা প্ৰাধিকাৰ, পৰিনিয়ত নিকায় আৰু আন চৰকাৰী আৰু বেচৰকাৰী সংগঠনৰ কাৰ্য্যকলাপক উপদেশ, সহায়তা আৰু সমন্বিত কৰিব পাৰে;

(ট) জিলা প্ৰাধিকাৰ বা স্থানীয় প্ৰাধিকাৰক তেওঁলোকৰ কৃত্যবোৰ ফলদায়কভাৱে সম্পন্ন কৰা বাবে আৱশ্যকীয় কাৰিকৰী সহায়তা আৰু উপদেশৰ উপবন্ধ কৰিব পাৰে;

(ঠ) বিপৰ্য্যয় ব্যৱস্থাপনৰ সম্বন্ধত সকলো বিত্তীয় বিষয়ৰ লক্ষ্য ৰাখি ৰাজ্য চৰকাৰক উপদেশ দিব পাৰে;

(ড) ৰাজ্যৰ কোনো স্থানীয় এলেকাৰ নিৰ্মাণকাৰ্য্য পৰীক্ষা কৰিব পাৰে, যদিহে তেওঁৰ এইটো মত হয় যে বিপৰ্য্যয় প্ৰতিৰোধৰ বাবে এনে নিৰ্মাণ কাৰ্য্যৰ বাবে প্ৰণীত মানক অনুসৰণ নকৰে বা কৰা হোৱা নাই, তেন্তে জিলা প্ৰাধিকাৰ বা যথাস্থিতি, স্থানীয় প্ৰাধিকাৰক, এনে মানকসমূহৰ পালন সুনিশ্চিত কৰিবলৈ আৱশ্যক হোৱা এনে কাৰ্য্যব্যৱস্থা ল'বলৈ নিৰ্দ্দেশ দিব পাৰে;

(ঢ) বিপৰ্য্যয় ব্যৱস্থাপনৰ বিভিন্ন বিষয়ৰ সম্বন্ধত ৰাষ্ট্ৰীয় প্ৰাধিকাৰক তথ্য উপবন্ধিত কৰিব পাৰে;

(ণ) ৰাজ্যিক স্তৰৰ সঁহাৰিমূলক পৰিকল্পনা আৰু নিৰ্দ্দেশাৱলী প্ৰণয়ন, পুনৰীক্ষণ আৰু অদ্যাৱধি সুনিশ্চিত কৰিব পাৰে যে জিলা স্তৰৰ পৰিকল্পনা প্ৰস্তুত, পুনৰীক্ষণ আৰু অদ্যাৱধি কৰা হৈছে।

(ত) সুনিশ্চিত কৰিব পাৰে যে সংযোগ ব্যৱস্থা ঠিকেই আছে আৰু বিপৰ্য্যয় ব্যৱস্থাপন ড্ৰিলবোৰ সাময়িকভাৱে সম্পন্ন কৰা হৈছে;

(থ) ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা ইয়ালৈ নিৰ্দ্ধাৰিত কৰা দৰে বা আৱশ্যক বিবেচনা কৰা দৰে এনে আন কৃত্য সম্পাদন কৰিব পাৰে।

ৰাজ্যিক পৰিকল্পনা। ২৩। (১) প্ৰত্যেক ৰাজ্যত, ৰাজ্যিক বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনা নামেৰে এটা পৰিকল্পনা স্থাপন কৰা হ'ব।

## বিপৰ্য্যয় ব্যৱস্থাপন অধিনিয়ম, ২০০৫

(২) ৰাজ্যিক পৰিকল্পনাটো, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীক অৱধানত ৰাখি আৰু ৰাজ্যিক কাৰ্য্যনিৰ্বাবহক সমিতিয়ে যোগ্য বুলি গণ্য কৰা দৰে স্থানীয় প্ৰাধিকাৰ, জিলা প্ৰাধিকাৰ আৰু জন প্ৰতিনিধিৰ সৈতে কৰা এনে পৰামৰ্শৰ পিচত, ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ দ্বাৰা প্ৰস্তুত কৰা হ'ব।

(৩) উপ-ধাৰা (২)ৰ অধীনত ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ দ্বাৰা প্ৰস্তুত কৰা ৰাজ্যিক পৰিকল্পনা, ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা অনুমোদিত কৰা হ'ব।

(৪) ৰাজ্যিক পৰিকল্পনাই নিম্নলিখিতসমূহ অন্তৰ্ভুক্ত কৰিব,

(ক) ৰাজ্যৰ বিভিন্ন ভাগত বিভিন্ন প্ৰকাৰৰ বিপৰ্য্যয়ৰ ভেদ্যতা;

(খ) বিপৰ্য্যয়ৰ প্ৰতিৰোধ আৰু প্ৰশমনৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা;

(গ) এনে ৰীতি, য'ত প্ৰশমন ব্যৱস্থা, উন্নয়নমূলক পৰিকল্পনা আৰু যোজনাৰ সৈতে একীকৃত হ'ব;

(ঘ) সামৰ্থ্য নিৰ্মাণ আৰু ল'বলগীয়া প্ৰস্তুতিৰ ব্যৱস্থা।

(ঙ) উক্ত খণ্ড (খ), (গ) আৰু (ঘ)ত বিনিৰ্দ্দিষ্ট ব্যৱস্থাৰ সম্বন্ধত ৰাজ্য চৰকাৰৰ প্ৰত্যেক বিভাগৰ ভূমিকা আৰু দায়িত্ব;

(চ) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়লৈ ক্ৰিয়া কৰা ৰাজ্যৰ চৰকাৰৰ বিভিন্ন বিভাগৰ ভূমিকা আৰু দায়িত্ব।

(৫) ৰাজ্যিক পৰিকল্পনাক বাৰ্ষিক ৰূপে পুনৰীক্ষণ আৰু অদ্যাৱধি কৰা হ'ব।

(৬) ৰাজ্যিক পৰিকল্পনাৰ অধীনত কাৰ্য্যান্বিত কৰিবলগীয়া ব্যৱস্থাসমূহৰ যোগানৰ বাবে ৰাজ্য চৰকাৰৰ দ্বাৰা সমুচিত উপবন্ধাৱলী কৰা হ'ব।

(৭) উপ-ধাৰা (২) আৰু (৫)ত নিৰ্দ্দেশিত ৰাজ্যিক পৰিকল্পনাৰ প্ৰতিলিপি ৰাজ্যৰ চৰকাৰৰ বিভাগসমূহলৈ সহজলভ্য কৰা হ'ব আৰু এনে বিভাগে ৰাজ্যিক পৰিকল্পনা অনুসৰি তেওঁলোকৰ নিজা পৰিকল্পনা তৈয়াৰ কৰিব।

**ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থাৰ ক্ষেত্ৰত ৰাজ্যিক কাৰ্য্যানিৰ্বাহক সমিতিৰ ক্ষমতা আৰু কৃত্য।**

২৪। বিপৰ্য্যয়ত ভুক্তভোগী হোৱা সম্প্ৰদায়ক সহায়তা কৰাৰ আৰু সুৰক্ষা দিয়াৰ বা এনে সম্প্ৰদায়ক সাহায্য উপবন্ধ কৰাৰ বা বিচ্ছিন্নতাক প্ৰতিৰোধ বা বিৰোধিতা কৰাৰ বা কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয়ৰ অৱস্থাৰ পৰিণামৰ সৈতে জড়িত হোৱাৰ প্ৰয়োজনাৰ্থে, ৰাজ্যিক কাৰ্য্যানিৰ্বাহক সমিতিয়ে—

(ক) ভেদ্য বা ক্ষতিগ্ৰস্ত অঞ্চলৰ পৰা বা অঞ্চলৰ ভিতৰত বাহনৰ যানজঁটৰ নিয়ন্ত্ৰণ আৰু সীমিত কৰিব পাৰে;

(খ) এখন ভেদ্য বা প্ৰভাৱী অঞ্চলৰ ভিতৰত তেওঁৰ আগমন আৰু প্ৰস্থানত কোনো ব্যক্তিৰ প্ৰৱিষ্টি নিয়ন্ত্ৰণ আৰু সীমিত কৰিব পাৰে;

(গ) ধ্বংসাৱশেষ আঁতৰ কৰিব, তালাচী চলাব আৰু উদ্ধাৰ অভিযান চলাব পাৰে;

(ঘ) ৰাষ্ট্ৰীয় প্ৰাধিকাৰ আৰু ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত মানৰ অনুসাৰে আশ্ৰয়, খাদ্য, খোৱাপানী, অত্যাৱশ্যকীয় উপবন্ধাৱলী, স্বাস্থ্য কল্যাণ আৰু সেৱাৰ উপবন্ধ কৰিব পাৰে;

(ঙ) ৰাজ্যৰ স্থানীয় পৰিসীমাৰ ভিতৰত, ৰাজ্যৰ চৰকাৰৰ সংশ্লিষ্ট বিভাগ, কোনো জিলা প্ৰাধিকাৰ বা আন প্ৰাধিকাৰলৈ উদ্ধাৰ, নিষ্ক্ৰমণ বা জীৱন বা সম্পত্তি ৰক্ষাৰ শীঘ্ৰে সাহায্যৰ উপৰন্ধ কৰিবলৈ, যেনেদৰে ইয়াত মতত আৱশ্যক হয়, নিৰ্দেশ দিব পাৰে;

(চ) ৰাজ্যৰ চৰকাৰৰ কোনো বিভাগ বা কোনো আন নিকায় বা প্ৰাধিকাৰ বা কোনো সুসঙ্গত উৎসৰ দায়িত্বত থকা কোনো ব্যক্তিক, জৰুৰীকালীন ক্ৰিয়া, উদ্ধাৰ আৰু সাহায্যৰ প্ৰয়োজনাৰ্থে উৎসবোৰক সহজলভ্য কৰিবলৈ অপেক্ষিত কৰিব পাৰে;

(ছ) উদ্ধাৰ আৰু সাহায্যৰ বাবে উপদেশ আৰু সহায়তা উপবন্ধ কৰিবলৈ বিপৰ্যয়ৰ স্থানত বিশেষজ্ঞ আৰু পৰামৰ্শদাতাক অপেক্ষিত কৰিব পাৰে;

(জ) কোনো প্ৰাধিকাৰ বা ব্যক্তিৰ পৰা অনন্য সা-সুবিধাৰ বা অগ্ৰমান্য ব্যৱহাৰ লাভ কৰিব পাৰে যিদৰে আৰু যেতিয়া অপেক্ষিত কৰা হয়;

(ঝ) অস্থায়ী দলং বা আন আৱশ্যকীয় গাঁথনি নিৰ্মাণ কৰিব পাৰে আৰু অসুৰক্ষা নিৰ্মাণ কৰিব পাৰে যিবোৰ জনসাধাৰণৰ বাবে আশঙ্কাপূৰ্ণ হয়;

(ঞ) সুনিশ্চিত কৰিব পাৰে যে বেচৰকাৰী সংগঠনবোৰে সাম্যপূৰ্ণ আৰু অবিভেদকাৰী ৰীতিত তেওঁলোকৰ কাৰ্য্যকলাপ সম্পন্ন কৰে;

(ট) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ সৈতে জড়িত জনসাধাৰণলৈ তথ্য প্ৰসাৰিত কৰিব পাৰে;

(ঠ) এনে ব্যৱস্থা ল'ব পাৰে যিদৰে কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰে এনেক্ষেত্ৰত এনে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিব পাৰে বা এনে আন ব্যৱস্থা ল'ব পাৰে যিদৰে কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ আশঙ্কাৰ পৰিস্থিতি অপেক্ষিত কৰা হয় বা নিশ্চয়তা দিয়া হয়।

## অধ্যায়-IV
## জিলা বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ

জিলা বিপৰ্যয় ব্যৱস্থাপন প্ৰাধিকাৰৰ গঠন।

২৫। (১) প্ৰত্যেক ৰাজ্য চৰকাৰে, ধাৰা ১৪ৰ উপ-ধাৰা (১)ৰ অধীনত অধিসূচনা জাৰি কৰাৰ পিচত যথাশীঘ্ৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, সেই অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে নামেৰে ৰাজ্যৰ প্ৰত্যেক জিলাৰ বাবে এখন জিলা বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ স্থাপন কৰিব।

(২) জিলা প্ৰাধিকাৰী, অধ্যক্ষ আৰু ৰাজ্য চৰকাৰে বিহিত কৰা দৰে, সাতজনৰ অনধিক, এনেসংখ্যক আন সদস্যৰে গঠিত হ'ব, আৰু নিয়মাৱলীয়ে অন্যথা উপবন্ধ নকৰিলে, ই নিম্নলিখিতসমূহেৰে গঠিত হ'ব, অৰ্থাৎ—

(ক) জিলাৰ সমাহৰ্তা বা জিলা দণ্ডাধীশ বা যথাস্থিতি উপায়ুক্ত পদেন অধ্যক্ষ হ'ব।

(খ) স্থানীয় প্ৰাধিকাৰৰ নিৰ্বাচিত প্ৰতিনিধিজন যিজন পদেন সহ অধ্যক্ষ হ'ব:

পৰন্তু সংবিধানৰ ষষ্ঠ অনুসূচীত নিৰ্দ্দেশিত কৰা জনজাতি অঞ্চলত স্বশাসিত জিলাৰ জিলা পৰিষদৰ মুখ্য কাৰ্য্যনিৰ্বাহক সদস্য, পদেন সহ অধ্যক্ষ হ'ব;

(গ) জিলা প্ৰাধিকাৰৰ মুখ্য কাৰ্য্যনিৰ্বাহক পদাধিকাৰী, পদেন ;

(ঘ) আৰক্ষী অধীক্ষক, পদেন ;

(ঙ) জিলাৰ মুখ্য স্বাস্থ্য পদাধিকাৰী, পদেন ;

(চ) আন জিলা স্তৰৰ দুজন পদাধিকাৰীৰ অনধিক, ৰাজ্য চৰকাৰৰ দ্বাৰা নিয়োগ কৰা হ'ব।

(৩) কোনো জিলাত, য'ত জিলা পৰিষদ থাকে, তাৰ অধ্যক্ষজন জিলা প্ৰাধিকাৰৰ সহ-অধ্যক্ষ হ'ব।

(৪) ৰাজ্য চৰকাৰে, জিলাৰ অতিৰিক্ত অধীক্ষক বা অতিৰিক্ত জিলা দণ্ডাধীশ বা যথাস্থিতি, অতিৰিক্ত উপায়ুক্তৰ পদমৰ্য্যদাৰ নিম্নতৰ নোহোৱা এজন পদাধিকাৰীক, ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ক্ষমতা কাৰ্য্যকৰী কৰিবলৈ আৰু এনে ক্ষমতা কাৰ্য্যকৰী কৰিবলৈ আৰু এনে কৃত্য সম্পাদন কৰিবলৈ আৰু জিলা প্ৰাধিকাৰৰ দ্বাৰা তেওঁলৈ আৰোপিত কৰা দৰে এনে আন ক্ষমতা আৰু কৃত্য কাৰ্য্যকৰী আৰু সম্পাদন কৰিবলৈ, জিলা প্ৰাধিকাৰৰ মুখ্য কাৰ্য্যনিৰ্বাহক পদাধিকাৰী হ'বলৈ, নিযুক্তি দিব।

**জিলা প্ৰাধিকাৰৰ অধ্যক্ষৰ ক্ষমতা।**

২৬। (১) জিলা প্ৰাধিকাৰৰ অধ্যক্ষই, জিলা প্ৰাধিকাৰৰ বৈঠকত সভাপতিত্বত কৰাৰ উপৰিও, জিলা প্ৰাধিকাৰে তেওঁক আৰোপিত কৰা জিলা প্ৰাধিকাৰৰ এনে ক্ষমতা আৰু কৃত্য কাৰ্য্যকৰী আৰু নিৰ্বহন কৰিব।

(২) জিলা প্ৰাধিকাৰৰ অধ্যক্ষৰ, এটা জৰুৰীকালীন অৱস্থাত, জিলা প্ৰাধিকাৰৰ ক্ষমতাৰ সকলো বা যিকোনোটোৰ কাৰ্য্যান্বিত কৰিবলৈ ক্ষমতা থাকিব কিন্তু এনে ক্ষমতাৰ প্ৰয়োগ জিলা প্ৰাধিকাৰৰ পূৰ্বোত্তৰ অনুমোদন সাপেক্ষে হ'ব।

(৩) জিলা প্ৰাধিকাৰ বা জিলা প্ৰাধিকাৰৰ অধ্যক্ষই, লিখিতভাৱে সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা, এনে চৰ্ত্তাৱলী আৰু পৰিসীমাৰ সাপেক্ষে যদি কিবা থাকে, যেনেদৰে ই বা তেওঁ যোগ্য বুলি গণ্য কৰে, জিলা প্ৰাধিকাৰৰ মুখ্য কাৰ্য্যনিৰ্বাহক পদাধিকাৰীলৈ, উপ-ধাৰা (১) বা যথাস্থিতি (২)ৰ অধীনত, ইয়াৰ বা তেওঁৰ এনে ক্ষমতা আৰু কৃত্য আৰোপিত কৰিব পাৰে।

**বৈঠক।**

২৭। জিলা প্ৰাধিকাৰে যিদৰে আৰু যেতিয়া আৱশ্যক হয় আৰু এনে সময়ত আৰু এনে স্থানত মিলিত হ'ব, যেনেদৰে অধ্যক্ষই উচিত বুলি ভাবে।

**উপদেষ্টা সমিতি আৰু আন সমিতিৰ গঠন।**

২৮। (১) জিলা প্ৰাধিকাৰে, যিদৰে আৰু যেতিয়া ই আৱশ্যক বিবেচনা কৰে, ইয়াৰ কৃত্যৰ দক্ষ নিৰ্বহনৰ বাবে এক বা ততোধিক উপদেষ্টা সমিতি আৰু আন সমিতি, গঠন কৰিব পাৰে।

(২) জিলা প্ৰাধিকাৰে, ইয়াৰ সদস্যসমূহৰ মাজৰ পৰা, উপ-ধাৰা (১)ত নিৰ্দ্দেশিত কৰা সমিতিৰ অধ্যক্ষক নিযুক্তি দিব।

(৩) উপ-ধাৰা (১)ৰ অধীনত গঠিত কোনো সমিতি বা উপ-সমিতিত এজন বিশেষজ্ঞৰূপে সহযোগ কৰা কোনো ব্যক্তিক, ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ভাত্তা দিয়া হ'ব।

**জিলা প্ৰাধিকাৰৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীৰ নিযুক্তি।**

২৯। ৰাজ্য চৰকাৰে, জিলা প্ৰাধিকাৰৰ কৃত্য কাৰ্য্যকৰী কৰাৰ বাবে, জিলা প্ৰাধিকাৰক ই আৱশ্যক বিবেচনা কৰা দৰে এনে পদাধিকাৰী, পৰামৰ্শদাতা আৰু আন কৰ্ম্মচাৰীৰ উপবন্ধ কৰিব।

**জিলা প্ৰাধিকাৰৰ ক্ষমতা আৰু কৃত্য।**

৩০। (১) জিলা প্ৰাধিকাৰে বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে জিলা পৰিকল্পনা সমন্বয় আৰু প্ৰয়োগ নিকায় ৰূপে কাৰ্য্য কৰিব আৰু ৰাষ্ট্ৰীয় প্ৰাধিকাৰ আৰু ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীৰ অনুসাৰে জিলাত বিপৰ্য্যয় ব্যৱস্থাপনৰ প্ৰয়োজনাৰ্থে সকলো ব্যৱস্থা ল'ব।

(২) উপ-ধাৰা (১)ৰ উপবন্ধাৱলীৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, জিলা প্ৰাধিকাৰে—

(i) জিলাৰ বাবে জিলা সঁহাৰি পৰিকল্পনাক অন্তৰ্ভুক্ত কৰি এটা বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনা প্ৰস্তুত কৰিব পাৰে;

(ii) ৰাষ্ট্ৰীয় যোজনা, ৰাজ্যিক যোজনা, ৰাষ্ট্ৰীয় পৰিকল্পনা, ৰাজ্যিক পৰিকল্পনা আৰু জিলা পৰিকল্পনাৰ প্ৰয়োগক সমন্বয় আৰু নিৰীক্ষণ কৰিব;

(iii) বিপৰ্য্যয়ৰ ভেদ্য হৈ থকা জিলাৰ অঞ্চলবোৰত চিনাক্ত কৰা আৰু বিপৰ্য্যয়ৰ প্ৰতিৰোধৰ বাবে ব্যৱস্থা লোৱাৰ আৰু জিলা স্তৰত চৰকাৰৰ বিভাগৰ দ্বাৰা তথা স্থানীয় প্ৰাধিকাৰৰ দ্বাৰা ইয়াৰ পৰিণামৰ হ্ৰাস কৰা হৈছে বুলি সুনিশ্চিত কৰিব পাৰে;।

(iv) ৰাষ্ট্ৰীয় প্ৰাধিকাৰ আৰু ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত কৰা দৰে বিপৰ্য্যয়ৰ প্ৰতিৰোধ, ইয়াৰ পৰিণামৰ হ্ৰাসকৰণ, প্ৰস্তুতি আৰু সঁহাৰি ব্যৱস্থা, জিলা স্তৰত চৰকাৰৰ সকলো বিভাগ আৰু জিলাত স্থানীয় প্ৰাধিকাৰৰ দ্বাৰা নিৰ্দ্দেশাৱলী অনুসৰণ কৰা হৈছে বুলি সুনিশ্চিত কৰিব পাৰে;

(v) বিপৰ্য্যয়ৰ প্ৰতিৰোধ বা হ্ৰাসকৰণৰ বাবে এনে আন ব্যৱস্থা ল'বলৈ জিলা স্তৰত বিভিন্ন প্ৰাধিকাৰ আৰু স্থানীয় প্ৰাধিকাৰলৈ নিৰ্দ্দেশ দিব পাৰে, যেনেদৰে আৱশ্যক হয়;

(vi) জিলা স্তৰত চৰকাৰৰ বিভাগৰ দ্বাৰা আৰু জিলাত স্থানীয় প্ৰাধিকাৰৰ দ্বাৰা বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাৰ প্ৰতিৰোধৰ বাবে নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব পাৰে;

(vii) জিলা স্তৰত চৰকাৰৰ বিভাগৰ দ্বাৰা প্ৰস্তুত কৰা বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাৰ প্ৰয়োগৰ নিৰীক্ষণ কৰিব পাৰে;

(viii) বিপৰ্য্যয়ৰ প্ৰতিৰোধৰ বাবে ব্যৱস্থাবোৰক একীকৃত আৰু হ্ৰাসকৰণ কৰা আৰু তেওঁলোকৰ উন্নয়নমূলক পৰিকল্পনা আৰু যোজনাৰ প্ৰয়োজনাৰ্থে জিলা স্তৰত চৰকাৰৰ বিভাগৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব পাৰে আৰু তাৰ বাবে আৱশ্যকীয় কাৰিকৰী সহায়তাৰ উপবন্ধ কৰিব পাৰে;

(ix) খণ্ড (VIII)ত নিৰ্দ্দেশিত ব্যৱস্থাৰ প্ৰয়োগৰ নিৰীক্ষণ কৰিব পাৰে;

(x) জিলাত কোনো বিপৰ্য্যয় বা ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থাত সঁহাৰি জনোৱাৰ বাবে সামৰ্থ্যৰ স্থিতি পুনৰীক্ষণ কৰিব পাৰে আৰু সেইবোৰৰ উন্নতিৰ বাবে জিলা স্তৰত সুসঙ্গত বিভাগ বা প্ৰাধিকাৰলৈ নিৰ্দ্দেশ দিব পাৰে, যিদৰে আৱশ্যক হয়;

(xi) প্ৰস্তুতকৰণ ব্যৱস্থাৰ পুনৰীক্ষণ কৰিব পাৰে আৰু জিলা স্তৰত সংশ্লিষ্ট বিভাগ বা আন সংশ্লিষ্ট প্ৰাধিকাৰক নিৰ্দ্দেশ দিব পাৰে য'ত, কোনো বিপৰ্য্যয় বা ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থালৈ প্ৰভাৱনীয় সাহায্য দিয়াৰ বাবে অপেক্ষিত কৰা স্তৰলৈ প্ৰস্তুতি ব্যৱস্থা লোৱাৰ বাবে আৱশ্যক হয়;

(xii) জিলাত পদাধিকাৰী, কৰ্ম্মচাৰী আৰু স্বৈচ্ছিক উদ্ধাৰ কৰ্ম্মীৰ বিভিন্ন স্তৰৰ বাবে বিশিষ্ট প্ৰশিক্ষণ কাৰ্য্যব্যৱস্থাৰ সংগঠন আৰু সমন্বয় কৰিব পাৰে;

(xiii) স্থানীয় প্ৰাধিকাৰ, চৰকাৰী আৰু বেচৰকাৰী সংগঠনৰ সমৰ্থনত বিপৰ্য্যয়ৰ প্ৰতিৰোধ বা হ্ৰাসকৰণৰ বাবে সাম্প্ৰদায়িক প্ৰশিক্ষণ আৰু সতৰ্কতামূলক কাৰ্য্যব্যৱস্থাৰ সুবিধা কৰিব পাৰে;

(xiv) জনসাধাৰণক শীঘ্ৰে সতৰ্কবাণী আৰু সমুচিত তথ্যৰ প্ৰসাৰ কৰাৰ বাবে কলাকৌশলৰ নিৰ্মাণ, পৰিচালনা, পুনৰীক্ষণ আৰু উন্নতি কৰিব পাৰে;

(xv) জিলা স্তৰৰ সাহায্য পৰিকল্পনা আৰু নিৰ্দ্দেশাৱলীৰ প্ৰস্তুত, পুনৰীক্ষণ আৰু উন্নীত কৰিব পাৰে;

(xvi) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ সঁহাৰি সমন্বিত কৰিব পাৰে;

(xvii) জিলা স্তৰত চৰকাৰৰ বিভাগ আৰু স্থানীয় প্ৰাধিকাৰে জিলা সাহায্য পৰিকল্পনাৰ অনুসাৰে তেওঁলোকৰ সাহায্য পৰিকল্পনা প্ৰস্তুত কৰা বুলি সুনিশ্চিত কৰিব পাৰে;

(xviii) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ক প্ৰভাৱনীয় সাহায্য ব্যৱস্থা ল'বলৈ জিলা স্তৰত সংশ্লিষ্ট চৰকাৰৰ বিভাগ বা জিলা স্থানীয় পৰিসীমাৰ ভিতৰত কোনো আন প্ৰাধিকাৰৰ বাবে নিৰ্দ্দেশাৱলী প্ৰণনয় কৰিব পাৰে বা সেইবোৰলৈ নিৰ্দ্দেশ দিব পাৰে;

(xix) জিলা স্তৰত থকা চৰকাৰৰ বিভাগ, পৰিনিয়ত নিকায় আৰু বিপৰ্য্যয় ব্যৱস্থাপনত নিয়োজিত হোৱা জিলাত চৰকাৰী বা বেচৰকাৰী সংগঠনৰ উপদেশ, সহায়তা আৰু কাৰ্য্যকলাপ সমন্বিত কৰিব পাৰে;

(xx) জিলাত ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয় অৱস্থাৰ প্ৰতিৰোধ বা হ্ৰাসকৰণৰ বাবে লোৱা ব্যৱস্থা শীঘ্ৰতাৰে আৰু প্ৰভাৱীৰূপে কাৰ্য্যন্বিত কৰা বুলি সুনিশ্চিত কৰিবলৈ জিলাৰ স্থানীয় প্ৰাধিকাৰীক সমন্বিত কৰিব পাৰে বা নিৰ্দ্দেশাৱলী দিব পাৰে;

(xxi) তেওঁলোকৰ কৃত্য কাৰ্য্যান্বিত কৰাৰ বাবে জিলাৰ স্থানীয় প্ৰাধিকাৰক আৱশ্যকীয় কাৰিকৰী সহায়তা বা উপদেশ দিব পাৰে;

(xxii) বিপৰ্য্যয়ৰ প্ৰতিৰোধ বা হ্ৰাসকৰণৰ বাবে তাত আৱশ্যকীয় উপবন্ধাৱলী প্ৰণয়ন কৰাৰ উদ্দেশ্যে জিলা স্তৰত চৰকাৰৰ বিভাগ, পৰিনিয়ত প্ৰাধিকাৰ বা স্থানীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰস্তুত কৰা উন্নয়নশীল পৰিকল্পনাৰ পুনৰীক্ষণ কৰিব পাৰে;

(xxiii) জিলাৰ কোনো অঞ্চলৰ নিৰ্মাণৰ পৰীক্ষা কৰিব পাৰে আৰু যদিহে এইটো মত হয় যে এনে নিৰ্মাণৰ বাবে বিপৰ্য্যয়ৰ প্ৰতিৰোধ বা হ্ৰাসকৰণৰ বাবে প্ৰণয়ন কৰা মান অনুসৰণ নকৰে বা কৰা নাই, তেন্তে, এনে মানসমূহৰ পালনক সুনিশ্চিত কৰিবলৈ আৱশ্যকীয় হোৱা এনে কাৰ্য্যব্যৱস্থা ল'বলৈ সংশ্লিষ্ট প্ৰাধিকাৰক নিৰ্দ্দেশ দিব পাৰে;

(xxiv) কোনো ভীতি প্ৰদৰ্শনৰ ফলত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয় সাহাৰ্য্য কেন্দ্ৰ বা শিবিৰৰূপে ব্যৱহৃত হ'ব পৰা ভৱন বা স্থান চিনাক্ত কৰিব পাৰে আৰু এনে ভৱন বা স্থান পানী যোগান আৰু স্বাস্থ্য ৰক্ষাৰ বাবে ব্যৱস্থা কৰিব পাৰে;

(xxv) সাহায্য আৰু উদ্ধাৰ সামগ্ৰীৰ মজুত বস্তুবোৰ ৰাখিব পাৰে বা এখন কম সময়ৰ জাননীত এনে সামগ্ৰী সহজলভ্য কৰাৰ প্ৰস্তুতিকৰণ সুনিশ্চিত কৰিব পাৰে;

(xxvi) বিপৰ্য্যয় ব্যৱস্থাপনৰ বিভিন্ন বিষয়ৰ সম্পৰ্কে ৰাজ্যিক প্ৰাধিকাৰলৈ তথ্যৰ উপবন্ধ কৰিব পাৰে;

(xxvii) বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে জিলাত তৃণমূল কাৰ্য্য কৰা বেচৰকাৰী সংগঠন আৰু স্বৈচ্ছিক সমাজকল্যাণ সংগঠনৰ অংশগ্ৰহণক উৎসাহিত কৰিব পাৰে;

(xxviii) যাতায়ত ব্যৱস্থা, আৰু বিপৰ্য্যয় ব্যৱস্থাপন অনুশীলন সাময়িকৰূপে কৰাক সুনিশ্চিত কৰিব পাৰে;

(xxix) ৰাজ্য চৰকাৰ বা ৰাজ্যিৰ প্ৰাধিকাৰে ইয়ালৈ সমনুদেশিত কৰা দৰে বা জিলাত বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে ই, আৱশ্যক গণ্য কৰা দৰে, এনে আন কৃত্য সম্পাদন কৰিব পাৰে।

জিলা পৰিকল্পনা। ৩১। (১) ৰাজ্যৰ প্ৰত্যেক জিলাত বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে এটা পৰিকল্পনা থাকিব।

(২) জিলা পৰিকল্পনাটো, জিলা প্ৰাধিকাৰৰ দ্বাৰা, স্থানীয় প্ৰাধিকাৰৰ সৈতে পৰামৰ্শ কৰাৰ পিছত আৰু ৰাষ্ট্ৰীয় পৰিকল্পনা আৰু ৰাজ্যিক পৰিকল্পনাক অৱধানত ৰাখি, ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা অনুমোদিত কৰিবলৈ প্ৰস্তুত কৰা হ'ব।

(৩) ৰাজ্যিক জিলা পৰিকল্পনাই নিম্নলিখিতসমূহক অন্তৰ্ভুক্ত কৰিব—

(ক) বিভিন্ন প্ৰকাৰৰ বিপৰ্য্যয়ত ভেদ্য হোৱা জিলাৰ অঞ্চল;

(খ) জিলা স্তৰত চৰকাৰৰ বিভাগ আৰু জিলাৰ স্থানীয় প্ৰাধিকাৰৰ দ্বাৰা বিপৰ্য্যয়ৰ প্ৰতিৰোধ আৰু হ্ৰাসকৰণৰ বাবে ল'বলগীয়া ব্যৱস্থা;

(গ) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ত সঁহাৰি দিবলৈ, জিলা স্তৰৰ চৰকাৰৰ বিভাগ আৰু জিলাৰ স্থানীয় প্ৰাধিকাৰৰ দ্বাৰা ল'বলৈ অপেক্ষিত হোৱা সামৰ্থ্য নিৰ্মাণ আৰু প্ৰস্তুতিৰ ব্যৱস্থা;

(ঘ) বিপৰ্য্যয়ৰ ফলত সাহায্য পৰিকল্পনা আৰু প্ৰক্ৰিয়া উপবন্ধ কৰাৰ বাবে—

(i) জিলা স্তৰত চৰকাৰৰ বিভাগ আৰু জিলাৰ স্থানীয় প্ৰাধিকাৰৰ দায়িত্বৰ বণ্টন;

(ii) বিপৰ্য্যয়ত শীঘ্ৰে সঁহাৰি আৰু তাৰ প্ৰতিকাৰ;

(iii) অত্যাৱশ্যকীয় উৎসৰ সংগ্ৰহ;

(iv) পৰিবহণ সংযোগৰ স্থাপনা; আৰু

(v) জনসাধাৰণলৈ তথ্যৰ প্ৰসাৰণ;

(ঙ) ৰাজ্যিক প্ৰাধিকাৰে অপেক্ষিত কৰা এনে আন বিষয়সমূহ।

(৪) জিলা পৰিকল্পনাক বাৰ্ষিকৰূপে পুনৰীক্ষণ আৰু অদ্যাবধি কৰা হ'ব।

(৫) উপ-ধাৰা (২) আৰু (৪)ত নিৰ্দ্দেশিত জিলা পৰিকল্পনাৰ প্ৰতিলিপি, জিলাত চৰকাৰৰ বিভাগলৈ সহজলভ্য কৰা হ'ব।

(৬) জিলা প্ৰাধিকাৰে, জিলা পৰিকল্পনাৰ এটা প্ৰতিলিপি, ৰাজ্যিক প্ৰাধিকাৰলৈ পঠিয়াব যিয়ে ইয়াক ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰিব।

(৭) জিলা প্ৰাধিকাৰে, সময়ে সময়ে, পৰিকল্পনাৰ প্ৰয়োগৰ পুনৰীক্ষণ কৰিব আৰু জিলাৰ চৰকাৰৰ বিভিন্ন বিভাগলৈ, সেইবোৰৰ প্ৰয়োগৰ বাবে, আৱশ্যক বুলি গণ্য কৰা দৰে এনে নিৰ্দ্দেশ জাৰি কৰিব।

জিলা স্তৰৰ বিভিন্ন প্ৰাধিকাৰৰ পৰিকল্পনা আৰু সেইবোৰৰ প্ৰয়োগ।

৩২। ভাৰত চৰকাৰৰ আৰু জিলা স্তৰৰ ৰাজ্য চৰকাৰৰ প্ৰত্যেক কাৰ্য্যালয় আৰু স্থানীয় প্ৰাধিকাৰে, জিলা প্ৰাধিকাৰৰ পৰ্য্যবেক্ষণৰ সাপেক্ষে,

(ক) নিম্নলিখিতসমূহ বৰ্ণিত কৰি এটা বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনা প্ৰস্তুত কৰিব, অৰ্থাৎ—

(i) জিলা পৰিকল্পনাত উপবন্ধিত কৰা দৰে আৰু বিভাগ বা সংশ্লিষ্ট এজেন্সিলৈ সমনুদেশিত কৰা দৰে এনে প্ৰতিৰোধ আৰু হ্ৰাসকৰণ ব্যৱস্থাৰ বাবে উপবন্ধাৱলী;

(ii) সামৰ্থ্য নিৰ্মাণ আৰু প্ৰস্তুতিৰ সম্বন্ধত ব্যৱস্থা লোৱাৰ বাবে উপবন্ধ যিদৰে জিলা পৰিকল্পনাত প্ৰণয়ন কৰা হৈছে;

(iii) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ ফলত, সাহায্য পৰিকল্পনা আৰু প্ৰক্ৰিয়া;

## বিপৰ্য্যয় ব্যৱস্থাপন অধিনিয়ম, ২০০৫

(খ) স্থানীয় প্ৰাধিকাৰ, সম্প্ৰদায় আৰু আন পণধাৰকক অন্তৰ্ভুক্ত কৰি জিলা স্তৰত সেই আন সংগঠনবোৰৰ সৈতে ইয়াক পৰিকল্পনাৰ প্ৰস্তুতি আৰু প্ৰয়োগৰ সমন্বয় কৰাব;

(গ) পৰিকল্পনা নিয়মিতৰূপে পুনৰীক্ষণ আৰু অদ্যাৱধি কৰিব।

(ঘ) জিলা প্ৰাধিকাৰলৈ, ইয়াৰ বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাৰ আৰু তাৰ কোনো সংশোধনৰ এটা প্ৰতিলিপি দাখিল কৰিব।

**জিলা প্ৰাধিকাৰৰ দ্বাৰা অধিগ্ৰহণ।**

৩৩। জিলা প্ৰাধিকাৰে, আদেশৰ দ্বাৰা বিপৰ্য্যয়ৰ প্ৰতিৰোধ বা হ্ৰাসকৰণৰ বাবে এনে ব্যৱস্থা ল'বলৈ বা ইয়ালৈ প্ৰভাৱীৰূপে সঁহাৰি জনাবলৈ, যেনেদৰে আৱশ্যক হয়, কোনো পদাধিকাৰী বা জিলা স্তৰৰ কোনো বিভাগ বা কোনো স্থানীয় প্ৰাধিকাৰক, অপেক্ষিত কৰিব পাৰে আৰু এনে পদাধিকাৰী বা বিভাগ এনে আদেশ সম্পন্ন কৰিবলৈ বাধ্য হ'ব।

**কোনো ভীতি প্ৰদৰ্শিত বিপৰ্যয় অৱস্থা বা বিপৰ্য্যয়ৰ সময়ত জিলা প্ৰাধিকাৰৰ ক্ষমতা আৰু কৃত্য।**

৩৪। কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়লৈ সঁহাৰি জনোৱাত সম্প্ৰদায়ক সহায়তা, সুৰক্ষা বা সাহায্যৰ উপবন্ধ কৰাৰ প্ৰয়োজনাৰ্থে, জিলা প্ৰাধিকাৰে—

(ক) চৰকাৰৰ কোনো বিভাগ আৰু জিলাৰ স্থানীয় প্ৰাধিকাৰীৰ সহজলভ্য হোৱা উৎসৰ হস্তান্তৰণ আৰু ব্যৱহাৰৰ বাবে নিৰ্দ্দেশ দিব পাৰে;

(খ) ভেদ্য বা ক্ষতিগ্ৰস্ত অঞ্চলত বা অঞ্চলৰ পৰা আৰু অঞ্চলৰ ভিতৰত যানজটৰ নিয়ন্ত্ৰণ আৰু নিষেধ কৰিব পাৰে;

(গ) কোনো ভেদ্য বা ক্ষতিগ্ৰস্ত অঞ্চলত কোনো ব্যক্তিৰ চলাচলত বা তাৰ পৰা প্ৰস্থানত কোনো ব্যক্তিৰ প্ৰৱিষ্টি নিয়ন্ত্ৰণ আৰু নিষেধ কৰিব পাৰে;

(ঘ) ধ্বংসাৱশেষ অপসাৰণ, অন্বেষণ কৰিব আৰু উদ্ধাৰ কাৰ্য্য চলাব পাৰে;

(ঙ) আশ্ৰয়গৃহ, খাদ্য, খোৱাপানী আৰু অত্যাৱশ্যকীয় উপবন্ধ স্বাস্থ্য যতন আৰু সেৱাৰ উপবন্ধ কৰিব পাৰে;

(চ) ক্ষতিগ্ৰস্ত অঞ্চলত জৰুৰী যাতায়াত ব্যৱস্থা স্থাপন কৰিব পাৰে;

(ছ) অ-দাবীকৃত মৰাশৰ পেলাই দিয়াৰ বাবে ব্যৱস্থাপনা কৰিব পাৰে;

(জ) ৰাজ্যৰ চৰকাৰৰ কোনো বিভাগ বা জিলা স্তৰত সেই চৰকাৰৰ অধীনত কোনো প্ৰাধিকাৰ বা নিকায়ক, এনে ব্যৱস্থা ল'বলৈ অনুমোদন জনাব পাৰে যিবোৰ ইয়াৰ মতত আৱশ্যক হয়;

(ঝ) সুসঙ্গত ক্ষেত্ৰত, বিশেষজ্ঞ আৰু পৰামদৰ্শদাতাক, উপদেশ দিবলৈ আৰু সহায়তা কৰিবলৈ অপেক্ষিত কৰিব পাৰে যেনেদৰে ই আৱশ্যক বুলি গণ্য কৰে;

(ঞ) কোনো প্ৰাধিকাৰ বা ব্যক্তিৰ পৰা কোনো সা-সুবিধাৰ অনন্য বা অগ্ৰমান্য ব্যৱহাৰ সংগ্ৰহ কৰিব পাৰে;

(ট) অস্থায়ী দলং বা আন আৱশ্যকীয় গাঁথনি নিৰ্মাণ কৰিব পাৰে আৰু জনসাধাৰণৰ আশংকাপূৰ্ণ হোৱা গাঁথনি ধ্বংস কৰিব পাৰে যিয়ে বিপৰ্য্যয়ৰ ক্ষতি গুৰুতৰ কৰিব পাৰে;

(ঠ) বেচৰকাৰী সংগঠনে এটা ন্যায়সঙ্গত বা বৈষম্যমূলক ৰীতিত তেওঁলোকৰ কাৰ্যকলাপ চলোৱাটো সুনিশ্চিত কৰিব পাৰে;

(ড) এনে এটা পৰিস্থিতিত ল'ব লগা বুলি অপেক্ষিত বা আৱশ্যকীয় আন ব্যৱস্থা ল'ব পাৰে।